# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 07-02-2026 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

***Headlines***

00000

১। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ জৰিয়তে ৯৫ শতাংশ অসমীয়া লৰা-ছোৱালীয়ে চাকৰি লাভ কৰা বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। মেঘালয়ৰ পূব জয়ন্তীয়াৰ কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি।

৩। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিবেশনৰ আজি দ্বিতীয় দিনা জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত উদুলি মুদুলি পৰিবেশ। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা সংঘলৈ ২ কোটি টকাৰ অনুদানৰ আশ্বাস। ***আৰু***

৪। স্পেইনত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিঙৰ ফাইনেলত লাভলীনা বৰগোহাইৰ প্ৰৱেশ।

০০০০০০০

জামুগুৰিহাটৰ ধলাইবিলৰ জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰত অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি দ্বিতীয় দিনা অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমীয়া সমাজ জীৱনলৈ মহাপুৰুষজনাই আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই তেওঁৰ ভাষণত কয় যে শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ সমৰ্থ হৈছে। মহাপুৰুষজনাই অসমীয়া জাতিক নতুন প্ৰাণৰ সঞ্চাৰ কৰা বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘই অসমৰ সমাজ জীৱনৰ উৎকৰ্ষৰ বাবে কাম কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। শংকৰদেৱ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি শৈক্ষিক আৰু বৌদ্ধিক ক্ষেত্ৰত সংঘই আগবঢ়োৱা বৰঙণিৰ তেওঁ শলাগ লয়। বিগত ৫ বছৰত ৰাজ্য চৰকাৰে মহাপুৰুষজনাক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা কৰাৰ বাবে অহোপুৰুষাৰ্থ কৰি আহিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত প্ৰকাশ কৰে। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘক ২ কোটি টকাৰ অনুদান দিয়াৰ বাবে আজি আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ ৰচনাৰাজি ভাৰতৰ বিভিন্ন ভাষালৈ অনুবাদৰ বাবে সংঘক এই অনুদান প্ৰদান কৰা হ'ব।

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অধিৱেশন উপলক্ষে আজি দ্বিতীয় দিনা হাজাৰ হাজাৰ ভকত বৈষ্ণৱৰ উপস্থিতিৰে জ্যোতি-বিষ্ণু সমন্বয়ক্ষেত্ৰ উদুলি মুদুলি হৈ পৰিছে।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা এ ডি আৰ ইৰ জৰিয়তে ৯৫ শতাংশ অসমীয়া ল'ৰা-ছোৱালীয়ে চাকৰি লাভ কৰা বুলি প্ৰকাশ কৰিছে। গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আজি মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ৭৪ হাজাৰ যুৱ উদ্যমীৰ মাজত প্ৰথম কিস্তিৰ ধন হিচাপে এহেজাৰ ৪৮২ কোটি টকা বিতৰণ কৰাৰ পাছত সাংবাদিকৰ সৈতে

হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে মন্তব্য কৰে। ডঃ শৰ্মাই কয়, যে বিগত ৫ বছৰত প্ৰশাসনে ৰাজ্যৰ বাবে অভূতপূৰ্ব কাম কৰিছে। তেওঁ লগতে বৰ্তমান চৰকাৰখনে সাহসেৰে জাতিটোৰ বাবে কাম কৰা প্ৰথমখন চৰকাৰ বুলি মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যৰ মন্ত্ৰীসভাৰ বৈঠকত আজি গৌৰৱ গগৈৰ এছ্ আই টিৰ প্ৰতিবেদন উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাত গৃহীত হোৱাৰ পাছতে গৌৰৱ গগৈৰ পাকিস্তান যোগসূত্ৰৰ পৰৱৰ্তী তদন্তৰ পথ নিৰ্ণয় হ'ব বুলি ড০ শৰ্মাই জানিবলৈ দিয়ে।

বাইট

ধন বিতৰণ অনুষ্ঠানত উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে নিৰ্বাচন আয়োগৰ এটা দল ইতিমধ্যে দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হৈছে। সঞ্জয় কুমাৰ আৰু ভানু কুমাৰ য়াটুবক লৈ গঠিত উপ-নিৰ্বাচন আয়ুক্তৰ দলটোৱে ৰাজ্যিক নিৰ্বাচনী বিষয়াৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁলোকে প্ৰতিখন জিলাৰ আয়ুক্ত আৰু শীৰ্ষ আৰক্ষী বিষয়াৰ সৈতেও আলোচনা কৰিব। দলটোৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিনিধিৰ সৈতেও আলোচনাত মিলিত হ'ব। ১৭ ফেব্ৰুৱাৰীত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ডঃ সুখবীৰ সিং সান্ধু আৰু ডঃ বিবেক যোশীৰে গঠিত আয়োগৰ পূৰ্ণাংগ দল অসমলৈ আহি ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰাৰ লগতে সাম্প্ৰতিক পৰিস্থিতিৰ বুজ ল'ব। দুয়োটা দলে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লৈ উভতি যোৱাৰ পাছতে নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে ফেব্ৰুৱাৰীৰ অন্তিম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনাৰ বিষয়ে উল্লেখ কৰিছিল।

০০০০০০০

কাৰ্বি আংলং জিলাৰ ডকমকাত ২০১৮ চনত সংঘটিত অভি-নীল হত্যাকাণ্ডৰ গোচৰৰ শুনানি আৰু তিনি দিনৰ কাৰণে বৃদ্ধি কৰা হৈছে। নগাঁৱৰ চেচন আদালতত অহা ২৪, ২৬ আৰু ২৭ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া এই শুনানিৰ অন্তত আদালতে চূড়ান্ত ৰায় প্ৰদান কৰিব। দীৰ্ঘ দিনৰ অপেক্ষাৰ অন্তত গোচৰটোত অভিজিত আৰু নীলোৎপল নামৰ ভুক্তভোগী যুৱক দুজনৰ পৰিয়াল আশাবাদী বুলি প্ৰকাশ কৰিছে।

বাইট (পিতৃ)

০০০০০০০

মেঘালয়ৰ পূব জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কক' অঞ্চলৰ মিনশ্বিংগাতত কয়লা খনিত বিস্ফোৰণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ২৭ লৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীয়ে আজি আৰু দুজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰে। বৰ্তমানলৈকে উদ্ধাৰ কৰা ১৭টা মৃতদেহ চিনাক্ত কৰা হৈছে আৰু যাৱতীয় আইনী ব্যৱস্থা সম্পূৰ্ণ কৰাৰ পাছত পৰিয়ালৰ লোকক মৃতদেহ চমজাই দিয়া হৈছে। এই ঘটনাৰ সৈতে জড়িত দুজনক গ্ৰেপ্তাৰ কৰি কালি আদালতত হাজিৰ কৰোৱা হয়। দুয়োজন লোকক তিনিদিনৰ বাবে আৰক্ষীৰ জিম্মাত ৰখা হৈছে। আৰক্ষীয়ে ঘটনাৰ তদন্ত অব্যাহত ৰখাৰ লগতে ইয়াৰ সৈতে জড়িত আন সকলক চিনাক্ত কৰাৰ বাবে অভিযান চলাই আছে। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে কয়লা খনিটোত এতিয়াও বহুলোক আবদ্ধ হৈ আছে। কয়লা খনিত কাম কৰিবলৈ যোৱা ছজন শ্ৰমিকৰ পৰিয়ালে তেওঁলোক এতিয়াও সন্ধানহীন হৈ আছে বুলি জনাইছে।

ঘটনাস্থলীত সম্প্ৰতি ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনী, এন ডি আৰ এফ, সীমান্ত সুৰক্ষা বাহিনী আৰু চিকিৎসকৰ দল উদ্ধাৰ অভিযানত নিয়োজিত হৈ আছে।

০০০০০০০

শিৱসাগৰৰ ডিমৌ থানাই ৰাজ্যৰ ভিতৰতে শ্ৰেষ্ঠ থানাৰ সন্মান লাভ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে আইন-শৃংখলা ৰক্ষা, অপৰাধ অনুসন্ধানৰ ক্ষিপ্ৰতা, জনসাধাৰণৰ সৈতে সুসম্পৰ্ক ৰক্ষা কৰি আগবঢ়োৱা সেৱাৰ বাবে ডিমৌ থানালৈ এই স্বীকৃতি প্ৰদান কৰিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰতি বছৰে দেশৰ ভিতৰত এখন থানাক আৰু প্ৰতিখন ৰাজ্যৰ এখন থানাক শ্ৰেষ্ঠ থানা বঁটা প্ৰদান কৰে।

০০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যঘ্ৰ সংৰক্ষিত বনাঞ্চলত আজি এটা ঢেকিয়াপটিয়া বাঘৰ মৃত্যু হৈছে। ৰাষ্ট্ৰীয় উদ্যানখনৰ বুঢ়াপাহাৰ বনাঞ্চলৰ বানেশ্বৰ বন শিবিৰ এলেকাত বন কৰ্মীয়ে বাঘটোৰ মৃতদেহ উদ্ধাৰ কৰে। আন এটা বাঘৰ সৈতে যুজি ঢেকিয়াপতিয়াটোৰ মৃত্যু হোৱা বুলি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০০০

সোমবাৰে চাহ শ্ৰমিকৰ মাটিৰ পট্টাৰ বাবে কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণ কৰা হ'ব। সেইদিনাই মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ৰ দিনজয় চাহ বাগিচাৰ পৰা কেন্দ্ৰীয়ভাৱে প্ৰ-পত্ৰ বিতৰণৰ কামৰ শুভাৰম্ভ কৰিব। ইয়াৰ লগে লগে ৰাজ্যৰ ৮৩৬ খন বাগিচাত প্ৰ-পত্ৰ বিতৰণৰ কাম আৰম্ভ হ'ব। পট্টন পোৱা ভূমি ২০ বছৰলৈ বিক্ৰী কৰিব নোৱাৰিব আৰু ২০ বছৰ পাছত বিক্ৰী কৰিবলগীয়া হ'লে একেখন বাগিচাৰ শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব। ইপিনে, বাগান কৰ্তৃপক্ষ আৰু প্ৰতিনিধিসকলক এই আঁচনিৰ বিষয়ে অৱগত কৰাবৰ বাবে শিৱসাগৰ জিলা কাৰ্যালয়ত কালি এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত নাজিৰা সমজিলা আয়ুক্ত, চক্ৰ বিষয়া, সহকাৰী আয়ুক্ত, খণ্ড উন্নয়ন বিষয়া, চাহ বাগিচাৰ বিষয়ববীয়া, চাহ শ্ৰমিকৰ প্ৰতিনিধি আৰু অন্যান্য কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচী সফল কৰাৰ বাবে জিলা প্ৰশাসনে প্ৰতিখন বাগিচাৰ তত্বাৱধান কৰিবৰ বাবে একোগৰাকীকৈ বিষয়া নিয়োগ কৰিছে।

০০০০০০০

ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে ধুবুৰীত আজিৰে পৰা সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ই ভি এম প্ৰদৰ্শন কেন্দ্ৰ আৰু ভ্ৰাম্যমান ই ভি এম প্ৰদৰ্শন ভানৰ জৰিয়তে সজাগতা অভিযান অনুষ্ঠিত হয়। ধুবুৰী, গোলকগঞ্জ, গৌৰীপুৰ আৰু বিলাসীপাৰা বিধানসভা সমষ্টি সামৰি জিলাখনৰ সকলো ৰাজহ চক্ৰৰ লগতে বিলাসীপাৰাৰ গোলকগঞ্জ সমজিলা কাযালয়ত এই সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। ই ভি এমৰ প্ৰদৰ্শনৰ ভ্ৰাম্যমান বাহনে জিলাখনৰ হাটবজাৰ, নিৰ্বাচিত ভোটকেন্দ্ৰৰ প্ৰাংগণ আৰু আন ৰাজহুৱা স্থানতো কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জনসাধাৰণৰ মাজত প্ৰশিক্ষণ আৰু সজাগতাৰ বাবে এই অভিযান চলোৱা হৈছে বুলি জিলাখনৰ আয়ুক্ত নৱজ্যোতি পাঠকে জানিবলৈ দিয়ে।

০০০০০০০

যোৰহাটত সমাজ কল্যাণ বিভাগৰ সহযোগত আজি জিলাখনৰ শিক্ষা ভৱনত আয়োজিত এটা অনুষ্ঠানত কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ ভাৰতীয় কৃত্ৰিম অংগ নিগমৰ ৰাষ্ট্ৰীয়

বয়োশ্ৰী যোজনাৰ অন্তৰ্গত বিশেষকৈ দৰিদ্ৰ সীমাৰেখাৰ তলৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ লোকক মটৰাইজ্‌ড ট্ৰাইচাইকেল, জয় ষ্টীক অপাৰেটেড, হুইল চেয়াৰ, ফল্ডিং হুইল চেয়াৰকে ধৰি বিনামূলীয়াকৈ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰা হয়। অনুষ্ঠানত যোৰহাটৰ বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, তিতাবৰৰ বিধায়ক ভাস্কৰ বৰুৱা, মৰিয়নীৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, দেৰগাঁৱৰ বিধায়ক ভৱেন্দ্ৰনাথ ভড়ালী, সমাজ কল্যাণ বিষয়া যতীশ বৰুৱা প্ৰমুখ্যে ভালেসংখ্যক লোক উপস্থিত থাকে।

0000000

স্পেইনৰ আলিকাণ্টেত অনুষ্ঠিত বক্সাম এলিট ইণ্টাৰনেচনেল বক্সিং প্ৰতিযোগিতাত অসমৰ অলিম্পিক পদক জয়ী লাভলীনা বৰগোহাই ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাখনত ৭৫ কিলোগ্ৰাম শাখাৰ ছেমিফাইনেলত লাভলীনাই - ৰেলছৰ ৰজি একলছ্‌ক ৫-০ পইণ্টত পৰাস্ত কৰে।

0000000

**সমাপ্ত**